# Course Code: 602 (Major)
# Course Title: Environmental Economics
# Unit: III

**Advantages (Merits) and Disadvantages (Demerits) of Command and Control Approach:**

The important advantages of Command and control Approach are:

(a) When there is uncertainty about the effects of pollution or when there is no any clarity about the respond of polluters to economic incentive measures of pollution control, than the command and control method is considered to be the more realistic and effective measure of pollution control.
(b) The Market based approach requires efficient and dynamic regulatory authority and administrative mechanism for its effective implementation to control pollution. But in the absence of efficient and dynamic regulatory mechanism, particularly in under developed and developing countries, the market based methods finds it difficult to implement effectively. Under such circumstances the command and control approach of pollution control is more appropriate and effective.
(c) The command and control approach is flexible in nature and therefore there is the certainty about the level of pollution control. It is not possible in case of market based measures.
(d) The command and control approach provides more advantages to monitor the activities of the polluting units to control pollution. For example it is easy to examine whether a particular polluting unit introduces the prescribed technology or not to control pollution.

The important disadvantages of command and control approach are:

(a) The effective implementation of this method requires proper information about the technology to be used and reduction of pollution level. But collection of such information requires huge amount of cost. Hence this method involves huge cost. Moreover, it is required to examine the pollution level of different units to set a standard of pollution level, which involves huge cost.
(b) Since under this method the polluting units have to follow the direction of pollution control authority to control pollution, therefore, it does not encourage the polluter to develop new and more efficient environment friendly technology to control pollution.
(c) Under this method it is not possible to equalize the marginal cost of pollution control in case of different polluting units having equal level of pollution. Thus the command and control method does not satisfy the Equi-marginal principle in case of controlling pollution. As such it is not cost effective.
(d) This method requires proper information/data of pollution in case of different polluting units. But it is not easy to collect such information, since most of the polluting units do not want to share their actual information related with pollution.

**আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিৰ সুবিধা আৰু অসুবিধা (Advantages (Merits) and Disadvantages (Demerits) of Command and Control Approach):**

**আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিৰ সুবিধা ঃ**

১। যেতিয়া প্ৰদূষণৰ প্ৰভাৱ সম্পৰ্কে অনিশ্চয়তা সৃষ্টি হয় অথবা যেতিয়া প্ৰদূষণ নিয়ন্ত্ৰণৰ অৰ্থনৈতিক আহিলা ব্যৱস্থাসমূহৰ ক্ষত্ৰত প্ৰদূষকৰ সঁহাৰি সম্পৰ্কে কোনো স্পষ্টতা দেখা নাযায়, তেনেক্ষেত্ৰত অৰ্থনৈতিক আহিলা ব্যৱস্থাসমূহ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ফলপ্ৰসু নহয়, এনেক্ষেত্ৰত আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতি প্ৰদূষণ নিয়ন্ত্ৰনৰ ক্ষেত্ৰত অধিক ফলপ্ৰসু আৰু বাস্তৱসন্মত ব্যৱস্থা হিচাপে গণ্য কৰিব পাৰি।

২। প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বজাৰ ভিত্তিক আহিলা পদ্ধতিৰ প্ৰয়োগৰ ক্ষেত্ৰত অধিক দক্ষতাপূৰ্ণ আৰু গতিশীল প্ৰদূষণ নিয়ন্ত্ৰণ আৰু প্ৰশাসনীয় ব্যৱস্থাৰ প্ৰয়োজন। কিন্তু বিশেষকৈ উন্নয়নশীল দেশসমূহত সাধাৰণতেই এক দক্ষতাপূৰ্ণ আৰু গতিশীল প্ৰদূষণ নিয়ন্ত্ৰণকাৰী প্ৰশাসনীয় গোটৰ অভাৱ দেখা যায়। গতিকে এক দক্ষতাসম্পন্ন আৰু গতিশীল প্ৰদূষণ নিয়ন্ত্ৰণ আৰু প্ৰশাসনীয় ব্যৱস্থাৰ অভাৱত বজাৰ ভিত্তিক আহিলা পদ্ধতিসমূহ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সফল হোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি হয়। গতিকে এনেক্ষেত্ৰত আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতি প্ৰদূষণ নিয়ন্ত্ৰণত অধিক উপযোগী হিচাপে বিবেচিত হয়।

৩। প্ৰদূষণ নিয়ন্ত্ৰণৰ আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতি তুলনামূলকভাৱে নমনীয় প্ৰকৃতিৰ আৰু গতিকে প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এই পদ্ধতিত নিশ্চয়তা সৃষ্টি হয়। বজাৰ ভিত্তিক আহিলা পদ্ধতিত এনে নিশ্চয়তা নাথাকে।

৪। আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিয়ে প্ৰদূষক গোটসমূহে গ্ৰহণ কৰা প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰ্যাৱলীৰ নিৰীক্ষণত বজাৰ ভিত্তিক আহিলা পদ্ধতিৰ তুলনাত অধিক সুবিধাৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিৰ অধীনত কোনো প্ৰদূষকে প্ৰদূষণ নিয়ন্ত্ৰণকাৰী কতৃপক্ষই নিৰ্দ্ধাৰণ কৰা প্ৰদূষণ নিয়ন্ত্ৰণৰ কৌশল গ্ৰহণ কৰিছে নে নাই সেই সম্পৰ্কে নিৰীক্ষণ কৰা তুলনামূলকভাৱে অধিক সুবিধাজনক।

**আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিৰ অসুবিধা ঃ**

১। আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিৰ ফলপ্ৰসু ৰূপায়ণৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰয়োজন হয় প্ৰদূষণ নিয়ন্ত্ৰণত ব্যৱহৃত কৌশল, প্ৰদূষণ নিয়ন্ত্ৰণৰ মাত্ৰা বা স্তৰ আদি সম্পৰ্কে উপযুক্ত তথ্য। কিন্তু এনে তথ্যসমূহৰ সংগ্ৰহৰ ক্ষেত্ৰত যথেষ্ট ব্যয়ৰ সৃষ্টি হয়। তদুপৰি এই পদ্ধতিত প্ৰদূষণ নিয়ন্ত্ৰণৰ এক মানদণ্ডৰ স্তৰ নিৰ্দ্ধাৰণৰ বাবে ভিন্ ভিন্ প্ৰদূষকৰ ক্ষেত্ৰত প্ৰদূষণ নিয়ন্ত্ৰণৰ স্তৰ সম্পৰ্কে পৰ্যবেক্ষণ কৰা প্ৰয়োজন হয়। এনে ব্যৱস্থাত যথেষ্ট ব্যয়ৰ সৃ,টি হয়। গতিকে আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতি তুলনামূলকভাৱে এক ব্যয়বহুল পদ্ধতি।

২। যিহেতু এই পদ্ধতিত প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰদূষক গোটসমূহে প্ৰদূষণ নিয়ন্ত্ৰণকাৰী কতৃপক্ষই নিৰ্দ্ধাৰণ কৰি দিয়া নিৰ্দেশ পালন কৰিবলগীয়া হয়, গতিকে ই প্ৰদূষক গোটসমূহক প্ৰদূষণ নিয়ন্ত্ৰণৰ নতুন আৰু অধিক দক্ষতাসম্পন্ন কৌশল উদ্ভাৱন আৰু প্ৰয়োগ কৰাত উৎসাহ প্ৰদান নকৰে।

৩। এই পদ্ধতিত প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰদূষক গোটসমূহৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ প্ৰান্তিক ব্যয়ৰ মাজত সমতা সৃষ্টি কৰা সম্ভৱ নহয়। গতিকে আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিয়ে প্ৰদূষণ নিয়ন্ত্ৰণৰ সমপ্ৰান্তিক নীতিক পূৰণ নকৰে। গতিকে এই পদ্ধতি ব্যয়ফলপ্ৰসু নহয়।

৪। এই পদ্ধতি প্ৰয়োগৰ ক্ষেত্ৰত বিভিন্ন প্ৰদূষণকাৰী গোটসমূহৰ প্ৰদূষণ সম্পৰ্কীয় উপযুক্ত আৰু শুদ্ধ তথ্য-পাতিৰ প্ৰয়োজন হয়। কিন্তু এনে প্ৰদূষণ সম্পৰ্কীয় তথ্য-পাতি সংগহ কৰাটো সহজ নহয়। কাৰণ

অধিকসংখ্যক প্ৰদূষণকাৰী গোটে নিজৰ প্ৰদূষণ সম্পৰ্কীয় শুদ্ধ তথ্য-পাতি যোগান ধৰাটো আগ্ৰহ প্ৰকাশ নকৰে।

**Probable Questions:**

What are the advantages and disadvantages of Command and Control Approach of Pollution control?